‘ আধুনিক অসমীয়া সাহিত্যত পুৰাকথাৰ পুনৰ নিৰ্মাণ’ আলোচনা চক্ৰৰ প্ৰতিবেদন :

তাৰিখ : ১২জানুৱাৰী, ২০২২ ইং চন ।

স্থান : অসমীয়া বিভাগৰ শ্ৰেণীকক্ষ ।







১২ জানুৱাৰী, ২০২২ ইং চন । শালবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয় । আলোচনা চক্ৰৰ বিষয় “আধুনিক অসমীয়া সাহিত্যত পুৰাকথাৰ পুনৰ নিৰ্মাণ” । আলোচনা চক্ৰ খন সঞ্চালন কৰে বিভাগীয় প্ৰধান নিতুমনি দাসে । আলোচনা চক্ৰ খনত অসমীয়া উপন্যাসত মহাভাৰতৰ পুনৰ নিৰ্মাণ : এক আলোচনা (‘মহাৰথী’ আৰু ‘যাজ্ঞসেনী’ ৰ বিশেষ উল্লিখনসহ) শীৰ্ষক গৱেষণা পত্ৰ পাঠ কৰে বিভাগৰ সহকাৰী অধ্যাপক ড০ হৰিশ দাসে । লগতে সহকাৰী অধ্যাপিকা মীনা কাকতিয়ে “নৱকান্ত বৰুৱাৰ ‘সম্ৰাট’ আৰু ‘ৰাৱণ’ : এক অধ্যয়ণ” শীৰ্ষক পত্ৰ পাঠ কৰে । ছাত্ৰ গোবিন্দ দাসে “ ড০ নিৰ্মল প্ৰভা বৰদলৈৰ ‘ দ্ৰৌপদী’ : এক আলোচনা” নামৰ গৱেষণা পত্ৰ পাঠ কৰে । শেষত সঞ্চালিকাই অসমীয়া সাহিত্যত পুৰাকথাৰ পুনৰ নিৰ্মাণৰ বিষয়ে এটি থুলমুল আভাস দাঙি ধৰে ।

আলোচনা চক্ৰৰ ফলাফল : আলোচনা চক্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে পুৰাকথা তথা পুনৰ নিৰ্মাণ এই দুয়োটা বিষয়ৰ বিশদ জ্ঞান লাভ কৰে । তদুপৰি অসমীয়া ভাষাত মহাভাৰত – ৰামায়ণ আদি পুৰাণবোৰৰ কাহিনী তথা চৰিত্ৰ কিদৰে নতুন ৰূপত চিত্ৰায়ন হৈছে সেই বিষয়ে সম্যক জ্ঞান লাভ কৰে । শেষত আলোচনা চক্ৰ খনৰ শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটি সামৰণি মাৰে নৰ্মদা বসুমতাৰীয়ে ।

Salbari College, Salbari Estd.1983 Baksa,BTR,Assam

Principal
Salbari College, Salbari, Baksa